# ৭৯ তম স্বাধীনতা দিৱস উপলক্ষে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাদেৱে প্ৰদান কৰিবলগীয়া ভাষণৰ খচৰা, ১৫ আগষ্ট, ২০২৫

---

**শ্ৰদ্ধাৰ অসমবাসী ৰাইজ,**

1. ভাৰতবৰ্ষৰ ৭৯তম স্বাধীনতা দিৱস উপলক্ষে মই আপোনালোকক আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জনাইছোঁ। এই পবিত্ৰ দিনটোত জাতিৰ পিতা মহাত্মা গান্ধীৰ লগতে দেশৰ স্বাধীনতা সংগ্ৰামত আত্মত্যাগ কৰা প্ৰতি গৰাকী মহান সংগ্ৰামীলৈ মই সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। অহিংসাৰ পথেৰে গান্ধীজীৰ নেতৃত্বত ভাৰতবাসীয়ে ব্ৰিটিছ উপনিবেশবাদ ওফৰাই দেশৰ স্বাধীনতা উভতাই আনিছিল। স্বাধীনতাৰ মহান যুঁজত অসমবাসীয়েও সৰ্বস্ব উজাৰি জপিয়াই পৰিছিল। ৰাজ্যৰ বহু স্বাধীনতা সংগ্ৰামীয়ে কাৰাবাস খাটিছিল আৰু বহুজনে ভাৰত মাতৃৰ সেৱাত আত্মবলিদান দিছিল। এই মহান স্বাধীনতা সংগ্ৰামী সকল আমাৰ প্ৰেৰণা আৰু আদৰ্শৰ প্ৰতীক।
2. স্বাধীনতাৰ বাবে চলা সৰ্বভাৰতীয় ৰাজনৈতিক সংগ্ৰামখনৰ সৈতে অসমবাসীক পৰিপূৰ্ণভাৱে সংযুক্ত কৰি আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা আত্মত্যাগী, ব্যক্তিত্ববান, দেশপ্ৰাণ পুৰুষসকলৰ অন্যতম হৈছে কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ। আজি এই ত্ৰিৰংগ পতাকাৰ তলত থিয় হৈ মই স্মৰণ কৰিব খোজো বৰদলৈদেৱে লিখা নিভাঁজ দেশপ্ৰেমমূলক কবিতাৰ কেইটামান পংক্তি –

   নীল আকাশত জোনৰ দৰে
   ভাৰতৰ পতাকা উৰ।
   প্ৰতি ঘৰে ঘৰে অতি পয়োভৰ
   বিজয় নিচান উৰ।।

স্বাধীন ভাৰত, স্বতন্ত্ৰ ভাৰত
বতাহত বাজে সুৰ।
ভাৰত সন্তান জীয়াই থাকোঁতে
ই সুৰ নপৰে ওৰ।।
কুমাৰী কাশ্মীৰ সদিয়া সিন্ধু
সুদূৰ লঙ্কা পুৰ,
ডঙ্কা উঠক স্বাধীন ভাৰত
উৰ ঔ লাহৰী উৰ।

**বৰদলৈয়ে সুৰক্ষিত আৰু বিকশিত অসমৰ বীজ সিঁচিছিল**

3. আজি এই পৱিত্ৰ ক্ষণত মই স্মৰণ কৰিব খুজিছোঁ স্বৰাজোত্তৰ কালৰ অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী ভাৰতৰত্ন গোপীনাথ বৰদলৈ দেৱকো। প্ৰথমগৰাকী মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ লৈ বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত হৈ পৰা অসমখনক তেওঁ এখন আধুনিক আৰু বিকশিত ৰাজ্যৰূপে নিৰ্মাণৰ সপোন দেখিছিল। পূৰ্ব-বংগীয় পমুৱা মুছলমানৰ প্ৰব্ৰজনে খিলঞ্জীয়াৰ মনত জন্ম দিয়া শংকাৰ পৰিপ্ৰেক্ষিতত বৰদলৈদেৱে থলুৱাৰ বাবে সুৰক্ষিত অসম নিৰ্মাণৰ কৰ্মযজ্ঞত নামি পৰিছিল। মাত্ৰ তিনি বছৰীয়া কাৰ্যকালত গোপীনাথ বৰদলৈয়ে খিলঞ্জীয়াৰ জাতি-মাটি-ভেটি সুৰক্ষিত কৰাৰ আৰু অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'ব পৰা এখন অসমৰ বীজ সিঁচিছিল।

4. পৰৱৰ্তী কালত গোপীনাথ বৰদলৈৰ আধৰুৱা সপোনক বাস্তৱায়িত কৰাৰ দায়িত্ব বিষ্ণুৰাম মেধি ডাঙৰীয়াই কান্ধ পাতি লৈ ৰূপায়ণৰ কৰ্মসূচী যুগুটাই তাক প্ৰতিফলিত কৰিছিল। মুছলিম লীগৰ প্ৰত্যক্ষ উচতনিত পমুৱালোকে মাটি দখল অভিযান আৰম্ভ কৰাৰ বিপৰীতে দখলকাৰী বিলাকক

উচ্ছেদ কৰিবলৈ মেধি ডাঙৰীয়াই অত্যন্ত দক্ষতাৰে আইনগত ব্যৱস্থা লৈছিল। মেধি ডাঙৰীয়াৰ প্ৰস্তাৱ অনুসৰি থলুৱা জনজাতীয় লোকসকলক ৰক্ষণাবেক্ষণ দিয়াৰ বাবে অসম ভূমি ৰাজহ আইনখন সংশোধন কৰি গ্ৰেজিং ৰিজাৰ্ভৰ পৰাও বেদখলকাৰীক উচ্ছেদ কৰা হয়।

## ৰাজ্যবাসীক ধন্যবাদ

5. মই ধন্য অনুভৱ কৰোঁ যে গোপীনাথ বৰদলৈ আৰু বিষ্ণুৰাম মেধিৰ দৰে আপোচবিহীন অসমীয়াই সুশোভিত কৰি যোৱা মুখ্যমন্ত্ৰীত্বৰ গুৰু দায়িত্ব পালনৰ সুযোগ লাভ কৰিছোঁ। ২০২১ চনৰ মে মাহত অসমবাসীৰ বিপুল সমৰ্থনেৰে মই মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিছিলোঁ। চাওঁতে চাওঁতে আমাৰ চৰকাৰখন প্ৰায় চাৰে চাৰি বছৰীয়া হবলৈ আগবাঢ়িছে। ২০২৬ ৰ ৰৌদ্ৰজ্বল প্ৰভাতে আমাক পুনৰ এক নিৰ্বাচনলৈ হাতবাউলি মাতিব। তাৰ পূৰ্বে এই পবিত্ৰ থলীৰ পৰা আজি পঞ্চমবাৰলৈ মই আপোনালোকক সম্বোধন কৰিছোঁ। স্বাভাৱিকতে, অসমবাসীক আমি যি প্ৰতিশ্ৰুতি দিছিলো, সেই প্ৰতিশ্ৰুতি পূৰণত আমি কিমানদূৰ সফল হলো তাৰ এক লেখজোখ দিয়াৰ এই সময় সমীচিন বুলি মই অনুভৱ কৰোঁ।

## চাৰে চাৰিবছৰীয়া অভিলেখৰ গাঁথা

6. আমি অঙ্গীকাৰ কৰিছিলো যে অসমখন দেশৰ পাঁচখন বিকশিত ৰাজ্যৰ এখন হিচাপে গঢ়ি তুলিম। একালত বন্দুকৰ শব্দত সূৰ্য উদয় হোৱা অসমত আমি শান্তিৰ কপৌ উৰুৱাম আৰু প্ৰগতিৰ ধল বোৱাম। খিলঞ্জীয়া অসমীয়াই নিজৰ মাটি-ভেটি আৰু অস্তিত্বৰ সংকটত যাতে আৰু কেতিয়াও ভূগিবলগীয়া নহয় সেয়া নিশ্চিত কৰাৰ আমি প্ৰতিশ্ৰুতি

দিছিলো। এই পবিত্ৰ দিনটোত আমাৰ চৰকাৰৰ যোৱা চাৰে চাৰিবছৰীয়া সফলতাৰ কথা কবলৈ লৈ মই গভীৰ প্ৰাপ্তি আৰু গৌৰৱ অনুভৱ কৰিছোঁ।

## মাননীয় প্ৰধানমন্ত্ৰীক ধন্যবাদ

7. ৰাজ্যৰ এই ৰূপান্তৰৰ যাত্ৰাত অসম আৰু অসমবাসীৰ প্ৰতি আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে স্বাধীনতা দিৱসৰ এই শুভ দিনটোত মই মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াক আন্তৰিক ধন্যবাদ জনাইছোঁ। মাননীয় মোদী ডাঙৰীয়াৰ দূৰদৰ্শী নেতৃত্বৰ বাবেই ব্ৰহ্মপুত্ৰৰ ওপৰত স্থলপথ আৰু ৰেলপথযুক্ত দেশৰ দীৰ্ঘতম বগীবিল দলং মুকলি হ'ল আৰু দেশৰ দীৰ্ঘতম ফুলবাৰী দলঙৰ নিৰ্মাণ চলি আছে।

8. মাননীয় মোদী ডাঙৰীয়া প্ৰধানমন্ত্ৰী হোৱাৰ পূৰ্বে স্বাধীনতাৰ বিগত ৭ দশকত ব্ৰহ্মপুত্ৰৰ ওপৰত মাত্ৰ তিনিখন দলং নিৰ্মাণ হৈছিল। তাৰ বিপৰীতে তেখেতৰ কাৰ্যকালত ইতিমধ্যে ধলা-শদিয়া, বগীবিল আৰু শৰাইঘাটৰ দ্বিতীয়খন দলং মুকলি হৈছে।

9. সমান্তৰালভাৱে ফুলবাৰী দলঙৰ উপৰি শৰাইঘাটত দ্বিতীয়খন স্থল আৰু ৰেলপথযুক্ত দলঙত কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাইছে। গুৱাহাটী-উত্তৰ-গুৱাহাটী দলং আৰু পলাশবাৰী-শুৱালকুছি দলঙৰো নিৰ্মাণকাৰ্য চলি আছে। যোৰহাট-মাজুলী দলঙৰো নিৰ্মাণকাৰ্য শীঘ্ৰে আৰম্ভ হ'ব।

10. মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ বদান্যতাত গুৱাহাটীত উত্তৰ পূবৰ প্ৰথমখন এইমছ মুকলি হৈছে। ২৭ হাজাৰ কোটি টকীয়া ছেমিকণ্ডাক্টৰ প্ৰকল্পও আমি তেখেতৰ বাবে লাভ কৰিছো। তেখেতৰ আশীৰ্বাদত প্ৰায় ১১ হাজাৰ কোটি টকা ব্যয়েৰে গুৱাহাটী ৰিংৰোড প্ৰকল্প আৰু কলিয়াবৰ-নুমলীগড় অংশত

এলিভেটেড কৰিডৰ আৰু ৪-লেনিঙৰ প্ৰকল্প তথা ৬ হাজাৰ কোটি টকীয়া ব্ৰহ্মপুত্ৰৰ তলেৰে নুমলীগড়-গহপুৰ সংযোগী সুৰংগ পথৰ দৰে বহু অভিলাষী প্ৰকল্পৰ আমি পদক্ষেপ লবলৈ সাহস কৰিছো।

11. নুমলীগড়ত স্থাপন কৰা ভাৰতৰ প্ৰথমটো 2G জৈৱ শোধনাগাৰে অসমৰ বাঁহ খেতিয়কসকলৰ বাবে প্ৰচুৰ সম্ভাৱনা বহন কৰিছে। এই শোধনাগাটোৱে বছৰি প্ৰায় ৫ লাখ মেট্ৰিক টন বাঁহ ব্যৱহাৰ কৰি ৫০,০০০ টন ইথানল, ১৮,০০০ টন ফাৰফুৰেল, ১১,০০০ টন এচিটিক এচিড আৰু প্ৰায় ৫ মেগাৱাট সেউজ শক্তি উৎপাদন কৰিবলৈ সক্ষম হ'ব।

12. ৰেল যোগাযোগ ক্ষেত্ৰত ৰাজ্যত বৰ্তমানলৈকে ১৫০০ কিমি ৰেলপথৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হৈছে। গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমানবন্দৰত নতুন টাৰ্মিনেল নিৰ্মাণ হৈছে। ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ মাজেৰে ভাৰত-বাংলাদেশ প্ৰট'কল পথত মালবাহী জাহাজ চলাচল পুনৰ আৰম্ভ হৈছে।

## পথ যোগাযোগৰ আন্তঃগাঁথনি

13. আমি যোৱা চাৰে চাৰি বছৰে ৰাজ্যত এনে এক সবল পথ আন্তঃগাঁথনি নিৰ্মাণ কৰিছো যি সমূহে অৰ্থনৈতিক ৰূপান্তৰৰ বাহক হব পাৰে। এক অভিলেখ সৃষ্টি কৰি ২০২১ চনৰ পৰা আমাৰ চৰকাৰে প্ৰতি দিনে ১৩.৪ কিলোমিটাৰকৈ পথ নিৰ্মাণ কৰিছে। প্ৰতিদিনে প্ৰায় এখনকৈ দলঙৰ নিৰ্মাণ কৰা হৈছে। অসম মালা, প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ আৰু মুখ্যমন্ত্ৰীৰ পথ নিৰ্মাণ আঁচনিকে ধৰি বিভিন্ন

পথ প্ৰকল্পৰ জৰিয়তে ৰাজ্যত ৯,৮৭৯ কিঃমিঃ পথৰ নিৰ্মাণ কৰা হৈছে।

## দেশৰ তৃতীয় দ্ৰুততম বিকাশশীল ৰাজ্য

14. স্বাধীনতাৰ পিছৰ দশকবোৰত ক্ৰমান্বয়ে নিশকতীয়া হ'বলৈ ধৰা অসমৰ অৰ্থনীতিয়ে আজি ঠন ধৰি উঠিছে। সম্প্ৰতি অসম ভাৰতৰ তৃতীয় দ্ৰুততম বিকাশশীল ৰাজ্যত পৰিণত হৈছে। **ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত অসমৰ GSDP ২০২০-২১ বৰ্ষৰ তুলনাত ১১৩ শতাংশ বৃদ্ধি হৈ ২০২৫-২৬ বৰ্ষত ৭.২৫ লাখ কোটি টকা হবগৈ। মূলধনী ব্যয়ৰ ক্ষেত্ৰত ২০২০-২১ চনৰ ১২ হাজাৰ কোটি টকাৰ তুলনাত ২০২৪-২৫ বৰ্ষত এই ব্যয় দুগুণ বৃদ্ধি হৈ ২৬ হাজাৰ কোটি টকা হৈছে।** আমাৰ চৰকাৰৰ বিনিয়োগ অনুকুল নীতি, আন্তঃগাঁথনি নিৰ্মাণ তথা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু জনসাধাৰণৰ বিকাশ আৰু কল্যাণৰ উদ্দেশ্যে সমৰ্পিত মনোভাৱেৰে কৰি অহা বিনিয়োগৰ বাবেই এয়া সম্ভৱ হৈছে।

## এক সন্ত্ৰাসমুক্ত, আন্দোলনমুক্ত অসমৰ দিশত

15. বিগত চাৰি দশকজোৰা সন্ত্ৰাসজৰ্জৰ ভয়াৱহ পৰিৱেশৰ অৱসানেৰে  ৰাজ্যৰ প্ৰায়বোৰ উগ্ৰপন্থী গোটেই সন্ত্ৰাসবাদ ত্যাগ কৰি মূলসুঁতিলৈ ঘূৰি আহিছে। ২০২১ চনৰ পৰা এতিয়ালৈকে ১১ হাজাৰৰো অধিক উগ্ৰপন্থীক পুনৰসংস্থাপন প্ৰদান কৰি মূলধাৰাত সম্পৃক্ত কৰা হৈছে। আলফা, আদিবাসী আৰু ডিমাছা উগ্ৰপন্থী সংগঠন সমূহৰ সৈতে হোৱা শান্তি চুক্তি মৰ্মে শেহতীয়াকৈ কেন্দ্ৰ চৰকাৰে আন্তঃগাঁথনি নিৰ্মাণৰ বাবে ৪ হাজাৰ কোটি টকাত অনুমোদন জনাইছে।

ইয়াৰ বাবে মই মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ লগতে মাননীয় কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ্ ডাঙৰীয়াক ধন্যবাদ জনাইছোঁ।

16. সম্প্ৰতি ৰাজ্যত আভ্যন্তৰীণ শান্তি-শৃংখলাও উল্লেখযোগ্যভাৱে উন্নত হৈছে। ২০২০ চনত ৰাজ্যত ১.২১ লাখ গোচৰ পঞ্জীয়ন হোৱাৰ বিপৰীতে ২০২৪ চনৰ শেষত এই সংখ্যা ৫০ হাজাৰলৈ হ্ৰাস পাইছে। অপৰাধৰ হাৰ প্ৰতি লাখ জনসংখ্যাৰ বিপৰীতে ৩৪৯ ৰ পৰা ১৩৯ লৈ হ্ৰাস পাইছে। বিচাৰধীন গোচৰৰ সংখ্যা ১.৫৫ লাখৰ পৰা ১৪ হাজাৰৰ তললৈ হ্ৰাস পাইছে। চাৰ্জশ্বীটৰ হাৰ ৪৭.৮% ৰ পৰা ৬৬.৭% লৈ বৃদ্ধি পোৱাৰ বিপৰীতে দোষী সাব্যস্তকৰণৰ হাৰ ৫.৫% ৰ পৰা ২২.৯% লৈ বৃদ্ধি হৈছে। মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ ক্ষেত্ৰত ২০২০ চনত ২৬,৩৫২ টা গোচৰ পঞ্জীয়ন হোৱাৰ বিপৰীতে ২০২৪ চনত পঞ্জীয়ন হোৱা গোচৰৰ সংখ্যা ৫,৫৫৫ টালৈ হ্ৰাস পাইছে। বাল্যবিবাহৰ বিৰূদ্ধে চলোৱা অভিযানৰ ফলস্বৰূপে ৬৫০০ৰো অধিক গোচৰ পঞ্জীয়ন কৰা হৈছে আৰু ৯৫ শতাংশ গোচৰৰ অভিযোগনামা দাখিল কৰা হৈছে।

17. সম্প্ৰতি অসমত সম্প্ৰীতি আৰু সমন্বয়ৰ এক সুস্থিৰ পৰিৱেশ গঢ়ি উঠিছে। অতীতত জাতিগত সংঘাত আৰু বিভাজনমূলক ৰাজনীতিয়ে সৃষ্টি কৰা অপ্ৰীতিকৰ পৰিৱেশৰ অন্ত পেলাই এতিয়া পাৰস্পৰিক বিশ্বাস, সহাৱস্থান আৰু সহযোগিতাৰ বাতাৱৰণ গঢ় লৈ উঠিছে। চৰকাৰী পৰ্যায়ৰ সক্ৰিয় উদ্যোগ আৰু বিভিন্ন সম্প্ৰদায়ৰ মানুহৰ সদিচ্ছাৰ ফলস্বৰূপে সামাজিক-সাংস্কৃতিক ক্ষেত্ৰত একতা দৃঢ় হৈছে, যাৰ ফলত অসমত স্থায়ী শান্তি, শৃংখলা আৰু সমন্বয়ৰ এক নতুন অধ্যায় আৰম্ভ হৈছে।

18. যিখন অসমত এসময়ত কিবা নহয় কিবা দাবী আদায়ৰ বাবে বন্ধ, হৰতাল, পথ অৱৰোধ আদি নিত্য-নৈমিত্তিক ঘটনা আছিল, সেই পৰিস্থিতিৰ বৰ্তমান উল্লেখযোগ্য পৰিৱৰ্তন ঘটিছে। চৰকাৰৰ সহানুভূতিশীল দৃষ্টিভংগী আৰু সকলো পক্ষকে আস্থাত লৈ সমস্যাৰ সমাধান বিচৰা মনোবৃত্তিৰ ফলত বিভিন্ন সংগঠন আৰু গোটৰ মাজত আলাপ-আলোচনাৰ পৰিৱেশ গঢ় লৈ উঠিছে। ফলস্বৰূপে, ২০২৩ত ৰাজ্যত ৩৭৪ টা আন্দোলনমুখী কাৰ্যকলাপৰ বিপৰীতে ২০২৪ত এই সংখ্যা ২৪৩ টালৈ হ্ৰাস পাইছে।

## পৰ্যটকৰ বাবে বিশ্বৰ চতুৰ্থখন আকৰ্ষণীয় ঠাই

19. শান্তি-সম্প্ৰীতি স্থাপন আৰু আন্তঃগাঁথনি উন্নয়নৰ প্ৰতিফলন অসমৰ পৰ্যটনখণ্ডত দেখিবলৈ পোৱা গৈছে। পৰ্যটনৰ দিশৰ পৰা অসম আজি বিশ্বৰ চতুৰ্থখন সৰ্বাধিক আকৰ্ষণীয় ঠাই হিচাপে চিহ্নিত হৈছে। আমেৰিকাৰ নিউয়ৰ্ক টাইম্‌ছে ২০২৫ চনত ভ্ৰমণৰ বাবে নিৰ্বাচিত কৰা বিশ্বৰ ৫২খন ঠাইৰ তালিকাত এনেদৰে অসমক চতুৰ্থ স্থানত নিৰূপিত কৰিছে।

## নিযুক্তিত অভিলেখ

20. সম্প্ৰতি ৰাজ্যৰ প্ৰশাসনিক পৰিকাঠামোত প্ৰায় ৪ লাখ বিষয়া-কৰ্মচাৰী আছে। এসময়ত চৰকাৰী নিযুক্তি প্ৰক্ৰিয়াটো দুৰ্নীতি আৰু স্বজনপ্ৰীতিৰ গহ্বৰত পতিত হৈছিল। লক্ষাধিক টকাৰ বিনিময়ত চৰকাৰী চাকৰি নিলাম কৰাৰ দৰে ঘৃণনীয় ব্যৱস্থাৰ পৰিৱৰ্তন ঘটাই ১,২১,২৪০ গৰাকীক অৰ্থাৎ প্ৰায় ২৫ শতাংশ বিষয়া-কৰ্মচাৰীক যোৱা চাৰে চাৰি বছৰত নিযুক্তি দিয়া হৈছে। তৃতীয়-চতুৰ্থ বৰ্গৰ প্ৰত্যক্ষ নিযুক্তি বৰ্ডৰ লগতে আৰক্ষী, অভিযান্ত্ৰিক আদি নিযুক্তি বৰ্ডৰ জৰিয়তে

সম্পূৰ্ণ স্বচ্ছতা আৰু মেধাৰ ভিত্তিত আমাৰ চৰকাৰে নিযুক্তিৰ ক্ষেত্ৰত যি ৰূপান্তৰ আনিছে তাৰ ফলত চৰকাৰী ব্যৱস্থাটোৰ প্ৰতি ৰাইজৰ আস্থা ঘূৰি আহিছে।

## দেশ বুলিলে আদেশ নালাগে

সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্যই লিখিছিল,

দেশ বুলি ক'লে আদেশ নেলাগে,
মোৰ তুম্‌ৰলি তেজত টগ্‌বগাই উঠে
এহেজাৰ এটা ৰণুৱা ঘোঁৰা!

## বেদখল উচ্ছেদ

21. অসমৰ জনগাঁথনিত সৃষ্টি হোৱা জটিল পৰিস্থিতি আৰু সেই পৰিস্থিতিয়ে থলুৱা ভাষা-কৃষ্টি-সংস্কৃতিৰ প্ৰতি সৃষ্টি কৰা ভাবুকিৰ পৰিপ্ৰেক্ষিতত কবি হীৰেন ভট্টাচাৰ্যৰ এই কবিতাফাঁকি মোৰ মনত পৰিছে। সন্দেহযুক্ত লোকৰ আগ্ৰাসনত ঘৰতে অসমীয়া নিথৰুৱা হবলৈ ধৰা পৰিস্থিতিৰ পৰিৱৰ্তনৰ আমি প্ৰতিশ্ৰুতি দিছিলো। সেই প্ৰতিশ্ৰুতি আখৰে আখৰে পালন কৰি যোৱা চাৰে চাৰি বছৰে অসমৰ ইতিহাসত অভিলেখ সৃষ্টি কৰি আমাৰ চৰকাৰে সন্দেহজনক লোকে বেদখল কৰি থকা প্ৰায় ১.২০ লাখ বিঘা ভূমি বেদখলমুক্ত কৰিলে। দেশৰ স্বাধীনতাৰ পূৰ্বে Grow More Food আঁচনিৰে চাদুল্লাই অসমৰ জনগাঁথনিত কুঠাৰাঘাট কৰিবলৈ পৰিকল্পিতভাৱে পদক্ষেপ লৈছিল। আজি চাদুল্লা নাথাকিলেও ভূমি জেহাদেৰে খিলঞ্জীয়াৰ অস্তিত্বৰ প্ৰতি ভাবুকি সৃষ্টি কৰিবলৈ এচাম দুষ্কৃতিকাৰীয়ে অবিৰাম প্ৰচেষ্টা অব্যাহত ৰাখিছে আৰু তাত হাত উজান দিছে স্বাৰ্থান্বেষী কেতবোৰ মহলে। কিন্তু বুঢ়া চাপৰি সংৰক্ষিত বনাঞ্চলৰ পৰা

আৰম্ভ কৰি উৰিয়ামঘাটলৈকে আমাৰ চৰকাৰে চলোৱা উচ্ছেদ অভিযানৰ জৰিয়তে আমি বাৰ্তা দিছো যে খিলঞ্জীয়াৰ স্বাৰ্থৰ ক্ষেত্ৰত আমাৰ চৰকাৰে কেতিয়াও আপোচ নকৰে।

## সমষ্টি পুনৰনিৰ্ধাৰণ

22. এই অংগীকাৰৰ অংশ হিচাপে ৰাজ্যৰ বিধানসভা সমষ্টি সমূহৰ পুনৰনিৰ্ধাৰণ কৰা হৈছে। এয়া আমাৰ চৰকাৰৰ আন এক গুৰুত্বপূৰ্ণ উপলব্ধি। শেহতীয়া সমষ্টি পুনৰনিৰ্ধাৰণৰ ফলস্বৰূপে অনাগত বহু দশকলৈ অসমখন আমি খিলঞ্জীয়াৰ বাবে সুৰক্ষিত কৰিবলৈ সক্ষম হলো।

## সত্ৰ ভূমিৰ বেদখল উচ্ছেদ

23. অসমৰ জাতীয় জীৱন, ভাষা তথা কলা-সংস্কৃতিৰ ক্ষেত্ৰখনলৈ ৰাজ্যৰ সত্ৰসমূহ অমূল্য অৱদান আছে। অসমৰ সত্ৰভূমি দুষ্কৃতিকাৰীৰ বেদখলত পৰাটো এক দীৰ্ঘদিনীয়া সমস্যা। ২০২১ চনত অসমৰ সত্ৰভূমি বেদখলকাৰীৰ পৰা মুক্ত কৰাৰ বাবে আমি তিনিজনীয়া অসম সত্ৰ আয়োগ গঠন কৰিছিলো। এতিয়া সত্ৰভূমি উদ্ধাৰৰ ক্ষেত্ৰত আমি বিশেষ অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছো। ঐতিহাসিক পৱিত্ৰ **বৰদোৱা থানৰ** বেদখলীকৃত ভূমি ইতিমধ্যে প্ৰায় সম্পূৰ্ণভাৱে মুক্ত কৰা হৈছে। আলিপুখুৰী **পাতেকীবৰীৰ** বেদখলীকৃত ভূমি আৰু বঙাইগাঁৱৰ **ৰঘুনাথ সত্ৰৰ** প্ৰায় ২৪৫ বিঘা মাটিৰ ক্ষেত্ৰত মীমাংসাত উপনীত হ'ব পৰা গৈছে। **বৰপেটা সত্ৰৰো** বাঘবৰকে আদি কৰি কেইবাটও ৰাজহ চক্ৰ এলেকাৰ ভূমি ইতিমধ্যে উদ্ধাৰ কৰা হৈছে।

## অস্ত্ৰ অনুজ্ঞাপত্ৰ

24. অসমৰ স্পৰ্শকাতৰ আৰু দুৰ্গম অঞ্চলত বসবাস কৰা ৰাজ্যৰ মূল বাসিন্দা আৰু খিলঞ্জীয়া ভাৰতীয় নাগৰিকৰ সবলীকৰণ তথা নিৰাপত্তাৰ দিশটোতো আমি সমানে প্ৰাধান্য দিছো। যোৱা ২৮ মে তাৰিখে অনুষ্ঠিত কেবিনেট বৈঠকত অসমৰ স্পৰ্শকাতৰ আৰু দুৰ্গম অঞ্চলত বসবাস কৰা ৰাজ্যৰ মূল বাসিন্দা আৰু খিলঞ্জীয়া ভাৰতীয় নাগৰিকক অস্ত্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ বিশেষ আঁচনিত অনুমোদন জনোৱা হৈছিল। যোৱা ২৮ জুলাই তাৰিখে আনুষ্ঠানিকভাৱে আঁচনিখনৰ অধিসূচনা জাৰি কৰা হৈছে। সেৱা সেঁতু পৰ্টেলত নাগৰিক সেৱা হিচাপে এই অস্ত্ৰ অনুজ্ঞাপত্ৰ সেৱাৰ ইতিমধ্যে আৰম্ভণি কৰা হৈছে।

## ভূমিৰ অধিকাৰ প্ৰদানত অভিলেখ

25. স্বাধীনতাৰ বিগত প্ৰায় ৮ দশকে অসমৰ থলুৱা ৰাইজে ভূমিৰ অধিকাৰ বিছাৰি হাবাথুৰি খাবলগীয়া হৈছিল। কিন্তু আমাৰ চৰকাৰে মিছন বসুন্ধৰা ২.০ৰ অধীনত ২ লাখ ২৯ হেজাৰ লোকক ভূমিৰ অধিকাৰ প্ৰদান কৰিলে। ইয়াৰে ৮৪ শতাংশ লোকেই হৈছে অনুসূচিত জনজাতি, অনুসূচিত জাতি, অন্যান্য পিছপৰা শ্ৰেণী আৰু MOBC ৰ অন্তৰ্গত খিলঞ্জীয়া লোক।

## সংস্কৃতি আৰু ঐতিহ্য

26. অসমৰ গৌৰৱময় ঐতিহ্যৰ স্বাক্ষৰ চৰাইদেউ মৈদামে **ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য** ক্ষেত্ৰৰ স্বীকৃতি লাভ কৰাটো আমাৰ চৰকাৰৰ চাৰে চাৰিবছৰীয়া কাৰ্যকালৰ অন্যতম প্ৰাপ্তি। তদুপৰি অসমীয়া ভাষাই **ধ্ৰুপদী ভাষাৰ মৰ্যাদা** লাভ কৰাটো

যোৱা সময়ছোৱাৰ আমাৰ অন্য এক পৰম প্ৰাপ্তি। সমান্তৰালভাৱে, ৰাজ্যৰ অন্যতম সংযোগী ভাষা বাংলা ভাষাকো ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰাৰ ফলত দুয়োটা ভাষাৰ স্বতন্ত্ৰতা পুনৰ এবাৰ প্ৰতিষ্ঠিত হ'ল।

27. অসমৰ ইতিহাসৰ গৌৰৱময় অধ্যায়বোৰ সৰ্ব ভাৰতীয় স্তৰত বলিষ্ঠভাবে উপস্থাপন হোৱা নাছিল। সেই উপেক্ষাৰ অন্তত সম্প্ৰতি NCERT-ৰ **অষ্টম শ্ৰেণীৰ পাঠ্যপুথিত** আহোম সাম্ৰাজ্য আৰু মহাবীৰ লাচিত সন্দৰ্ভত পাঠ অন্তৰ্ভুক্ত হৈছে। সেই পাঠত আহোমসকলৰ আগমন, ৬০০ বছৰীয়া গৌৰৱময় শাসনৰ লগতে লাচিত বৰফুকনৰ বীৰত্বৰ অৱলোকন কৰা হৈছে। এতিয়া দেশৰ লাখ লাখ শিক্ষাৰ্থীয়ে আহোম আৰু লাচিত বৰফুকনৰ বিষয়ে জনাৰ সুযোগ পাইছে।

28. অসমৰ স্বাভিমান আৰু ঐতিহ্যক উচ্চস্থানত প্ৰতিষ্ঠা কৰাটো আমাৰ চৰকাৰৰ এক পৱিত্ৰ কৰ্মযজ্ঞ। **মহাবীৰ লাচিত** আৰু **ৰজা ভগদত্তৰ** দৰে বীৰৰ গৌৰৱ গাথা আজি পুনৰ আমি উন্মোচিত কৰিছো। ২০২২ বৰ্ষত নতুন দিল্লীত বৃহৎ আয়োজনেৰে মহাবীৰ লাচিতৰ ৪০০ বছৰীয়া জয়ন্তী উদযাপনে মহাবীৰগৰাকী শৌৰ্য-বীৰ্যৰ সৈতে দেশবাসীক পৰিচিত কৰিলে। লাচিতৰ স্মৃতি যাউতীযুগীয়া কৰিবলৈ আমাৰ চৰকাৰে যোৰহাটৰ হোলোঙাপাৰত মহান বীৰগৰাকীৰ ১২৫ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি স্থাপন কৰিছে। একেদৰে প্ৰাগজ্যোতিষপুৰৰ প্ৰবল পৰাক্ৰমী ৰজা, বীৰ যোদ্ধা ভগদত্তৰ প্ৰতি শ্ৰদ্ধা দিশপুৰৰ পৰা খানাপাৰালৈ নিৰ্মিত উৰণ সেতুলানি তেখেতৰ নামত উৎসৰ্গা কৰা হৈছে। এই পদক্ষেপে নতুন প্ৰজন্মক ৰজা ভগদত্তৰ সম্পৰ্কে জানিবলৈ অধিক উৎসুক কৰিব।

## ভূপেন হাজৰিকা জয়ন্তী

29. অহা ৮ ছেপ্তেম্বৰৰ পৰা বছৰজোৰা কাৰ্যসূচীৰে আমি ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপন কৰিবলৈ আগবাঢ়িছো। মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াই এই কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ইয়াৰ পিছতে গোটেই বছৰজুৰি সমগ্ৰ অসমৰ লগতে দেশ তথা বিশ্বৰ বিভিন্ন স্থানত আমি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰি ভূপেনদাৰ সৃষ্টিৰাজি আৰু অৱদানক পুনৰবাৰ স্মৰণ কৰিম।

## গোলাপ বৰবৰা জয়ন্তী

30. অসমৰ প্ৰথমগৰাকী অকংগ্ৰেছী মুখ্যমন্ত্ৰী, সমাজবাদী আৰু ৰাষ্ট্ৰবাদী গোলাপ বৰবৰাৰ বছৰজোৰা জন্মজয়ন্তীও অহা ২৯ আগষ্টত আমি আয়োজন কৰিবলৈ আগবাঢ়িছো। কম সময়ৰ বাবে মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হৈও বিভিন্ন গুৰুত্বপূৰ্ণ সিদ্ধান্তৰে অসমৰ সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাই থৈ যোৱা ৰাজনীতিজ্ঞগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যৰে আয়োজন কৰা জন্ম শতবাৰ্ষিকী উদযাপনত মাননীয় কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়া মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

## ৰাজ্যৰ ইতিহাসত সৰ্বাধিক বিনিয়োগ

31. আমাৰ চৰকাৰৰ কাৰ্যকালত অসমৰ ইতিহাসত ব্যক্তিগত খণ্ডৰ সৰ্বাধিক বিনিয়োগৰ উপৰি সৰ্বাধিক প্ৰত্যক্ষ বিদেশী বিনিয়োগ হৈছে। ব্যক্তিগত খণ্ডৰ সৰ্বাধিক বিনিয়োগৰ জৰিয়তে টাটা গ্ৰুপে ২৭ হাজাৰ কোটি টকা ব্যয়েৰে দেশৰ প্ৰথমটো Semiconductor Assembly, Test,

Marketing আৰু Packaging (ATMP) Unit জাগীৰোডত নিৰ্মাণ কৰিছে। এই ছেমিকণ্ডাক্টৰ প্ৰকল্পই অসমক চিপ যোগানৰ দিশত এক বিশ্বব্যাপী কেন্দ্ৰত পৰিণত কৰাৰ বাট প্ৰশস্ত কৰিছে।

32. সেইদৰে, ৰাজ্যৰ ইতিহাসত সৰ্বাধিক প্ৰত্যক্ষ বিদেশী বিনিয়োগ হিচাপে ৭৭৮ কোটি টকা ব্যয়েৰে নলবাৰীত পেপচিকো ইণ্ডিয়াৰ খাদ্য প্ৰস্তুতকৰণ উদ্যোগ স্থাপন হৈছে। মাত্ৰ চাৰে চাৰি বছৰতে ৰাজ্যত ঔদ্যোগিক খণ্ডত প্ৰায় ৭০ হাজাৰ কোটিৰো অধিক টকাৰ বিনিয়োগ হৈছে। এডভাণ্টেজ আছাম – ২.০ৰ ফলত অসমত ৫.১৮ কোটি টকাৰ বিনিয়োগৰ প্ৰস্তাৱ আমি লাভ কৰিছোঁ।

## চিকিৎসা আন্তঃগাঁথনি

33. বিগত কেইটামান বছৰ অসমৰ চিকিৎসা খণ্ড তথা চিকিৎসা শিক্ষাখণ্ডৰ সোণালী অধ্যায়ৰূপে পৰিগণিত হ'ব। ২০১৪ চনৰ পূৰ্বে অসমত মাত্ৰ ৬ খন চিকিৎসা মহাবিদ্যালয় আছিল। ২০২১ চনত আমাৰ চৰকাৰ ক্ষমতালৈ অহাৰ পূৰ্বে এই সংখ্যা ৮ খনলৈ বৃদ্ধি পালে। আনহাতে যোৱা চাৰে চাৰি বছৰত গুৱাহাটীৰ প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয়ৰ বৰ্হিঃবিভাগ সেৱা সামৰি ৰাজ্যত নতুনকৈ ৬খন চিকিৎসা মহাবিদ্যালয় মুকলি কৰাৰ ফলত এই সংখ্যা ১৪ খনলৈ বৃদ্ধি পালে। আন ৯ খন চিকিৎসা মহাবিদ্যালয় বৰ্তমান নিৰ্মীয়মান পৰ্যায়ত আছে।

## উচ্চ শিক্ষানুষ্ঠান

34. চিকিৎসা শিক্ষাৰ উপৰি উচ্চ শিক্ষাৰ ক্ষেত্ৰখন যোৱা সময়ছোৱাত উল্লেখযোগ্য ভাবে উৰ্বৰ হৈ উঠিছে। ২০১৪

চনৰ পূৰ্বে ৰাজ্যত ১০ খন বিশ্ববিদ্যালয় আছিল। ২০২১ চনত আমাৰ চৰকাৰ ক্ষমতালৈ অহাৰ পূৰ্বে এই সংখ্যা ১৬ খনলৈ বৃদ্ধি পালে। আনহাতে শেহতীয়াকৈ ৭ গৰাকী নতুন উপাচাৰ্যৰ কাৰ্যভাৰ গ্ৰহণেৰে ৰাজ্যত ৭খন নতুন বিশ্ববিদ্যালয় কাৰ্যক্ষম হৈ এই সংখ্যা ২৩ খনলৈ বৃদ্ধি পালে।

## প্ৰশাসনীয় সংস্কাৰ

35. অসমৰ প্ৰতিটো খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ ৰাইজৰ অধিকাৰ ৰক্ষা কৰা আৰু তেওঁলোকৰ সৰ্বাঙ্গীন উন্নয়ন নিশ্চিত কৰাতো আমাৰ চৰকাৰখনৰ প্ৰাথমিক দায়িত্ব। এই দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ বাবে আমি বিগত চাৰে চাৰি বছৰত কেবাটাও প্ৰশাসনীয় সংস্কাৰৰ পদক্ষেপ লৈছোঁ। ইয়াৰ অন্যতম হৈছে সমজিলা গঠন।

## সম-জিলা গঠন

36. বিগত বৰ্ষৰ ২৫ আগষ্টত ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকত গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি ৰাজ্যত ৭৮ খন সমজিলা গঠনৰ অধিসূচনা জাৰি কৰা হৈছিল। প্ৰথম পৰ্যায়ত ২০২৪ চনৰ অক্টোবৰ মাহত ৩৯খন সম-জিলা উদ্বোধন কৰাৰ পিছত যোৱা ১২ আগষ্টত আন ১০ খন সমজিলা উদ্বোধন কৰা হৈছে। ইয়াৰ জৰিয়তে জিলা আয়ুক্তৰ কাম-কাজ অধিক বিকেন্দ্ৰীকৃত কৰা হৈছে। চৰকাৰী আঁচনিৰ ক্ষীপ্ৰ ৰূপায়ন আৰু প্ৰতিগৰাকী যোগ্য ব্যক্তিলৈ চৰকাৰী আঁচনিৰ সুবিধা প্ৰদানেৰে সম-জিলা গঠনৰ উদ্দেশ্যৰ সফলতা আমি দেখিবলৈ পাইছো।

## সেউজ শক্তিত গুৰুত্ব আৰোপ

37. বিগত চাৰে চাৰি বছৰত আমাৰ চৰকাৰে লাভ কৰা এক বিশেষ প্ৰাপ্তি হৈছে বহনক্ষম বিকাশৰ লক্ষ্যপ্ৰাপ্তিৰ দিশত লাভ কৰা সফলতা। SDG India Index ২০২৩-২৪ৰ প্ৰতিবেদন অনুসৰি অসমে ৬৫ সংখ্যক গড় স্ক'ৰ লাভ কৰি দেশৰ আগশাৰীৰ ৰাজ্যসমূহৰ ভিতৰত স্থান লাভ কৰিবলৈ সক্ষম হৈছে। বহনক্ষম বিকাশৰ লক্ষ্যৰে আগুৱাই আমাৰ চৰকাৰে ২০৩০ চনৰ ভিতৰত ৩,০০০ মেগাৱাট সেউজ শক্তি উৎপাদনৰ লক্ষ্য স্থিৰ কৰিছে। এই উদ্দেশ্যে Assam Pumped Storage Power Generation Promotion Policy আৰু Assam Thermal Power Generation Promotion Policy, প্ৰণয়ন কৰা হৈছে। Tata Power, Adani Power, JSW Group, Hinduja Renewable Energies, Greenko Group আদি প্ৰতিষ্ঠানে সৌৰশক্তি, Battery Storage, Pumped Storage আৰু Thermal Project ত অংশগ্ৰহণ কৰিছে। কাৰ্বন-ফুটপ্ৰিণ্ট হ্ৰাস আৰু প্ৰদূষণমুক্ত অসম গঢ়াৰ লক্ষ্যৰে ৰাজ্যত ২৫৬ খন ইলেকট্ৰিক বাছ আৰু ১০০ খন CNG বাছৰ সেৱা প্ৰৱৰ্তন কৰা হৈছে।

## যুৱশক্তিৰ সবলীকৰণ

38. অসমীয়া ডেকাৰ উক্তি' কবিতাত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে লিখি থৈ গৈছে,

ময়ে অসমৰ
ময়ে ভাৰতৰ
ময়ে ডেকা লৰা অগ্নিময়।
ময়ে ভাৰতৰ নবীন সূৰ্য
পূৰ্বাচলত বজাওঁ তূৰ্য।

39. জ্যোতিৰ ভাষাৰেই কব বিচাৰোঁ যে বিকাশৰ যাত্ৰাত শিক্ষাৰ্থী, যুৱক-যুৱতী আৰু মহিলাসকলেই আমাৰ পথিকৃত। জ্যোতিপ্ৰসাদে ৰাজ্যৰ যুৱচাম শিক্ষিত দক্ষতাপূৰ্ণ হোৱাটো বিচাৰিছিল। যুৱ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত স্বামী বিবেকানন্দইয়ো কৈছিল –

> অগ্নিমন্ত্ৰত দীক্ষিত এচাম যুবক গঠন কৰা। তোমালোকৰ উৎসাহ-অগ্নি প্ৰজ্বলিত কৰা তেওঁলোকৰ হৃদয়ত। ক্ৰমাৎ এই সংঘ বঢ়াই গৈ থাকা। মোৰ বিশ্বাস আধুনিক যুৱ সমাজৰ ওপৰত। তেওঁলোকৰ মাজৰ পৰাই মই কাৰ্যকৰ্তা পাম। সিংহবিক্ৰমে তেওঁলোকে দেশৰ সকলো সমস্যাৰ সমাধান কৰিব।

## দক্ষতা বিকাশ

40. ৰাজ্যৰ যুৱচামৰ দক্ষতা বিকাশৰ অংশ হিচাপে দৰং জিলাৰ মঙলদৈত এখন দক্ষতা বিশ্ববিদ্যালয় নিৰ্মাণ কৰি থকা হৈছে। আনহাতে ছিংগাপুৰৰ ইনষ্টিটিউট অৱ টেকনিকেল এডুকেশ্বনৰ সহযোগত গুৱাহাটীত নৰ্থ ইষ্ট স্কিল চেণ্টাৰ স্থাপন কৰিছো। শেহতীয়া উদ্যোগৰ প্ৰয়োজনীয়তাৰ সৈতে সামঞ্জস্য থকা পাঠ্যক্ৰম, প্ৰশিক্ষণ আৰু সঁজুলিৰ সকলো দিশ সামৰি ৰাজ্যৰ ৩৪ খন পলিটেকনিক মহাবিদ্যালয় আৰু ৪৩ খন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানক উৎকৃষ্টতাৰ কেন্দ্ৰলৈ ৰূপান্তৰিত কৰিবলৈ পদক্ষেপ লোৱা হৈছে।

## নিযুত মইনা

41. ৰাজ্যৰ ১০ লাখ কন্যা বা এক নিযুত মইনাই যাতে উচ্চতৰ মাধ্যমিক, স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ত শিক্ষাগ্ৰহণ অব্যাহত ৰাখিব পাৰে সেই উদ্দেশ্যে নামভৰ্তিত উদগনি

হিচাপে তেওঁলোকলৈ নিযুত মইনা আঁচনিৰ অধীনত আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে। 'নিযুত মইনা আঁচনি'ৰ প্ৰথম পৰ্যায়ত ২০২৪-২৫ বৰ্ষত ১.৬ লাখৰো অধিক শিক্ষাৰ্থীক আমি সামৰি লৈছোঁ। এই আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰ-পত্ৰ বিতৰণ ইতিমধ্যে আৰম্ভ হৈছে। ২০২৫-২৬ বৰ্ষত ৪ লাখতকৈ অধিক শিক্ষাৰ্থীয়ে এই সুবিধা লাভ কৰিব।

## ষ্টাৰ্টআপ

42. ষ্টাৰ্টআপৰ ক্ষেত্ৰত যোৱা সময়ছোৱাত অসমে বিশেষ সফলতা লাভ কৰিছে। এই দিশত অধিক কাম কৰাৰ সুবিধাৰ বাবে Assam Innovation And Startup Foundation নামৰ এটা Section ৪ Company গঠনৰ বাবে অনুমোদন জনোৱা হৈছে। সামূহিকভাৱে অসম ষ্টাৰ্টআপ - দ্য নেষ্টত ইনকিউবেট কৰা সকলো ষ্টাৰ্টআপে প্ৰায় ১০০ কোটি টকা external funding আকৰ্ষণ কৰি নিজৰ ব্যৱসায় আগুৱাই নিবলৈ সক্ষম হৈছে। কেৱল যোৱা বিত্তীয় বৰ্ষতে ৰাজ্যৰ ষ্টাৰ্টআপ সমূহে ৪০ কোটিতকৈ অধিক ৰাজহ আহৰণ কৰি প্ৰায় ৫ হাজাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ্মসংস্থাপনৰ সৃষ্টি কৰিছে আৰু ১৪ লাখ ব্যক্তিৰ জীৱনত ইতিবাচক প্ৰভাৱ পেলাইছে। উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহত একোটাকৈ ইনকিউবেচন চেণ্টাৰ প্ৰতিষ্ঠাৰ দিশত যাৱতীয় পদক্ষেপ লোৱা হৈছে।

## মহিলা সবলীকৰণ

43. ৰাজ্যৰ দুৰ্বল আৰু দৰিদ্ৰ শ্ৰেণীৰ লোকসকলক আৰ্থিক সকাহ প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰে ২০২০-২১ বৰ্ষত **অৰুণোদয় আঁচনি** আৰম্ভ কৰিছিল। অৰুণোদয় আঁচনিখনৰ মুঠ

হিতাধিকাৰীৰ সংখ্যা ৩৮ লাখলৈ বৃদ্ধি পাইছে। অহা ১৭ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ জন্ম দিৱসৰ দিনা অৰুণোদয় ৩.০ৰ শুভাৰম্ভ কৰা হ'ব। প্ৰতি মাহে ১,২৫০ টকা পোনপটীয়াকৈ হিতাধিকাৰীয়ে বেংক একাউণ্টত লাভ কৰিব। এই সাহায্যৰ লগতে ২০২৬ চনৰ ১ জানুৱাৰীৰ পৰা অৰুণোদয়ৰ অধীনত ৰন্ধন গেছৰ প্ৰতিটো চিলিণ্ডাৰৰ বাবদ ২৫০ টকাৰ ৰাজসাহায্য আগবঢ়োৱা হ'ব। প্ৰতি মাহে সৰ্বাধিক এটা চিলিণ্ডাৰৰ বাবে এই ৰাজসাহায্য হিতাধিকাৰীৰ বেংক একাউণ্টত পোনপটীয়াকৈ জমা হ'ব। এই ৰাজসাহায্য প্ৰাৰম্ভিকভাৱে পৰীক্ষামুলক ভিত্তিত প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই পদক্ষেপত লাভ কৰা ৰাইজৰ সঁহাৰি আৰু ফলাফলৰ বিস্তৃত বিশ্লেষণৰ আধাৰত ৰাজ্য চৰকাৰে স্থায়ী ৰূপ দিবলৈ চিন্তা-চৰ্চা কৰিব।

## আত্ম-সহায়ক গোটৰ বাবে লোৱা পদক্ষেপ

44. নাৰীৰ আৰ্থিক সবলীকৰণত বিশেষ মাত্ৰা প্ৰদান কৰি ৰাজ্যত ৩.৫৯ লাখ আত্ম-সহায়ক গোট গঢ়ি তোলা হৈছে আৰু ইয়াৰ জৰিয়তে ৩৯.৩৭ লাখ পৰিয়ালক সামৰি লোৱা হৈছে। এই আত্মসহায়ক গোটৰ প্ৰায় ৪০ লাখ উদ্যমী মহিলাই গ্ৰাম্য অৰ্থনীতিক এক নতুন মাত্ৰা প্ৰদান কৰিছে। বৰ্তমানলৈকে এনে আত্মসহায়ক গোটসমূহলৈ ৫৫৬ কোটি টকাৰ আৰ্থিক সাহায্য, ৪৪৪ কোটি টকাৰ ঘূৰ্ণীয়মান পুঁজি আগবঢ়োৱা হৈছে।

## মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান

45. আত্মসহায়ক গোটৰ সদস্যাসকলক গ্ৰাম্য উদ্যোগী হিচাপে গঢ়ি তুলিবলৈ আমি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ

অন্তৰ্গত ৩০ লাখ আত্মসহায়ক গোটৰ সদস্যাক আৰু নগৰাঞ্চলৰ ২ লাখ আত্মসহায়ক গোটৰ সদস্যাক প্ৰাৰম্ভিক মূলধন হিচাপে ১০ হাজাৰ টকাৰ উদ্যমিতা পুঁজি প্ৰদানৰ ব্যৱস্থা কৰিছো। এই পুঁজিৰ সদব্যৱহাৰেৰে মহিলাসকলক একোগৰাকী উদ্যোগীৰূপে গঢ়ি তুলিবলৈ আমাৰ চৰকাৰে চেষ্টা কৰিব। মহিলা উদ্যমিতাৰ ক্ষেত্ৰত ৰাজ্যৰ আত্মসহায়ক গোটৰ সদস্যসকলক বেংকৰ পৰা অধিক ঋণ লাভ কৰাতো সহায় কৰিব। অসমৰ আত্মসহায়ক গোটসমূহে ঋণ সময়মতে পৰিশোধ কৰি NPAৰ হাৰ সম্প্ৰতি ১% ৰ তললৈ হ্ৰাস কৰিবলৈ সক্ষম হৈছে। এয়া দেশৰ ভিতৰতে এক অভিলেখ। ৰাজ্যৰ আত্মসহায়ক গোটৰ প্ৰায় ৮.৮২ লাখৰো অধিক হিতাধিকাৰী লাখপতি বাইদেউৰ শাৰীলৈ উন্নীত হোৱাটোৱে অসমীয়া মহিলাৰ উদ্যমিতাৰ প্ৰমাণ দিয়ে। লাখপতি বাইদেউৰ শাৰীৰ পৰা অসমৰ বহু মহিলা উদ্যমী মহালাখপতি হবলৈ আগবাঢ়িছে।

## মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাই

46. ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ ঋণ গ্ৰহণ কৰি হাৰাশাস্তিৰ সন্মুখীন হোৱা ঋণগ্ৰস্ত মহিলাসকলক সকাহ দিয়াৰ বাবে আমাৰ চৰকাৰে ৰূপায়ন কৰা অসম মাইক্ৰ'ফাইনেন্স উদগণি আৰু সকাহ আঁচনিখনৰ অধীনত যোৱা সময়ছোৱাত ২,০০০ কোটিৰো অধিক টকা সাহায্যৰে ১২ লাখৰো অধিক ঋণগ্ৰস্ত মহিলাক সকাহ দিয়া হৈছে। লগতে এই মহিলা সকলক 'ন' ডিউজ চাৰ্টিফিকেটো বিতৰণ কৰা হৈছে। ফলত এসময়ত ঋণগ্ৰস্ত মহিলাসকলে ঋণমুক্ত হৈ পূৰ্বতকৈ অধিক উৎসাহেৰে জীৱনৰ বাটত আগবাঢ়ি যাবলৈ সক্ষম হৈছে।

## ২০৪৭ ৰ লক্ষ্য - আত্মনিৰ্ভৰ অসম

47. ভাৰতবৰ্ষৰ স্বাধীনতাৰ শত তম বৰ্ষত আমি যিখন অসমৰ স্বপ্ন দেখিছো, সেইখন অসম নিৰ্মাণৰ এক গুৰুত্বপূৰ্ণ স্তম্ভ হৈছে অৰ্থনৈতিক বিকাশ। মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন আৰু জনমূৰি আয় বৃদ্ধিৰে দেশৰ শীৰ্ষৰ বিকশিত ৰাজ্যসমূহৰ এখন হিচাপে অসমখন আমি গঢ়িব লাগিব। উদ্ভাৱনীমুলক চিন্তা-চৰ্চা আৰু প্ৰযুক্তিচালিত জ্ঞান আহৰণেৰে আমি কৃষি, উৎপাদন আৰু সেৱা, এই তিনিওটা খণ্ডতে আত্মনিৰ্ভৰশীল হ'ব লাগিব।

## আত্মনিৰ্ভৰশীল ভাৰত — আমাৰ জাতীয় প্ৰতিজ্ঞা

48. মাননীয় প্ৰদানমন্ত্ৰী ডাঙৰীয়াই যি আত্মনিৰ্ভৰশীল ভাৰতৰ কথা কৈছে ই হৈছে ১৪০ কোটি ভাৰতীয়ৰ নিজৰ ভৰিত দৃঢ়ভাৱে থিয় হোৱাৰ আৰু নিজৰ সম্পদ আৰু শক্তিৰ সঠিক ব্যৱহাৰৰ সাৰ্বজনীন প্ৰয়াস। আত্মনিৰ্ভৰশীল ভাৰত কেৱল চৰকাৰৰ কাৰ্যসূচী নহয়, ই এক জন আন্দোলন; য'ত দেশৰ কৃষকৰ পৰা আৰম্ভ কৰি উদ্যোগপতি, শিক্ষাৰ্থী, পেচাদাৰী, গৃহিণী, যুৱক-যুৱতী সকলোৰে অংশগ্ৰহণ অপৰিহাৰ্য।

49. এই লক্ষ্যত প্ৰথম পদক্ষেপ হৈছে “Vocal for Local” — অৰ্থাৎ স্থানীয় সামগ্ৰী, সম্পদ, প্ৰতিভাক অগ্ৰাধিকাৰ প্ৰদান। কিন্তু আমি ইয়াতেই থমকি ৰ'লে নহ'ব। আমাৰ মূল লক্ষ্য হ'ব লাগিব “Local for Global” — অৰ্থাৎ ভাৰতত নিৰ্মিত সামগ্ৰীৰ জৰিয়তে বিশ্বৰ বজাৰত প্ৰতিষ্ঠা লাভ কৰা। ইয়াৰ বাবে গুণগত মান, উদ্ভাৱন, গৱেষণা, আধুনিক প্ৰযুক্তি আৰু দক্ষ কৰ্মশক্তি অত্যাৱশ্যক। MSME, কৃষি, ষ্টাৰ্টআপ, আয়ুৰ্বেদ, যোগ, হস্তশিল্প আদি সকলো ক্ষেত্ৰতে আমাৰ দেশে সক্ষমতা প্ৰমাণ কৰাৰ অপাৰ সুযোগ আছে।

50. মাননীয় প্ৰধানমন্ত্ৰীয়ে দৈনন্দিন জীৱনত স্বদেশী সামগ্ৰী ব্যৱহাৰৰ বাবে জনোৱা আহ্বান দেখাত সৰল যদিও গভীৰ অৰ্থবহ। স্বদেশী সামগ্ৰী ব্যৱহাৰৰ অৰ্থ কেৱল ক্ৰয়-বিক্ৰয় নহয়, ইয়াৰ জৰিয়তে আমি থলুৱা উদ্যোগক শক্তিশালী কৰিব পাৰোঁ।

## আত্মনিৰ্ভৰশীলতাৰ স্তম্ভ

51. আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্যপ্ৰাপ্তিৰ এক গুৰুত্বপূৰ্ণ স্তম্ভ হৈছে আমাৰ সামগ্ৰী যাতে “Zero Defect”ৰ হয়। অৰ্থাৎ গুণগত মানত সেই সামগ্ৰী ক্ৰুটিহীন হ’ব আৰু পৰিবেশৰ ওপৰত তাৰ প্ৰভাৱ “Zero Effect”ৰ হ’ব। আমাৰ উৎপাদিত সামগ্ৰীয়ে কোনো ক্ষতিকাৰক প্ৰভাৱ নেপেলাব। ষ্টাৰ্টআপৰ পৰা আৰম্ভ কৰি বৃহৎ কোম্পানীলৈকে, সকলোৱে এই মাপকাঠি মানি চলিব লাগিব।

52. আত্মনিৰ্ভৰ ভাৰতৰ যাত্ৰাত প্ৰযুক্তি হৈছে আমাৰ প্ৰধান বাহক। ‘মেড ইন ইণ্ডিয়া’ চিপছৰ লক্ষ্যৰে অগ্ৰসৰ হোৱা চেমিকণ্ডাক্টৰ মিচন, কৃত্ৰিম বুদ্ধিমত্তা, মহাকাশ অন্বেষণ, জৈৱ প্ৰযুক্তি, নবীকৰণযোগ্য শক্তি— প্ৰত্যেক ক্ষেত্ৰতে ভাৰত সন্তৰ্পণে আগবাঢ়িছে। এই প্ৰতিটো দিশতে আমি বিশ্বৰ নেতৃত্ব ল’ব পৰাকৈ প্ৰস্তুত হ’ব লাগিব। এই নতুন যুগৰ বাবে আমাৰ নতুন জাতীয় মন্ত্ৰ হ’ব— “জয় জৱান, জয় কিষাণ, জয় বিজ্ঞান... জয় অনুসন্ধান।”

53. প্ৰতিৰক্ষাৰ ক্ষেত্ৰত পূৰ্বে আমাৰ বাজেটৰ এক বৃহৎ অংশ বিদেশলৈ গৈছিল। কিন্তু আজিৰ দিনত ‘Make in India’ৰ জৰিয়তে আমি যুদ্ধজাহাজ, বিমান আৰু অত্যাধুনিক অস্ত্ৰ-সামগ্ৰী নিজেই নিৰ্মাণ কৰিছোঁ। অপাৰেচন সিন্দুৰৰ জৰিয়তে আমাৰ এই সক্ষমতা বিশ্বই প্ৰত্যক্ষ কৰিছে।

54. কৃষিত ভাৰত অতীজৰ পৰাই আত্মনির্ভৰ। কিন্তু এতিয়া সময় হৈছে বিশ্বকো খাদ্য সুৰক্ষা প্ৰদান কৰাৰ।
55. শক্তি উৎপাদনৰ ক্ষেত্ৰতো সৌৰ উদ্যানৰ পৰা সমুদ্ৰীয় বায়ুশক্তিলৈকে—স্বচ্ছ্ সেউজ শক্তিৰ ব্যৱহাৰে আমাৰ পৰিৱেশ আৰু অর্থনীতি দুয়োকে একেলগে সমৃদ্ধ কৰি তুলিছে।
56. খাদী আমাৰ আত্মনির্ভৰশীলতাৰ আন এক অস্ত্ৰ। স্বাধীনতা সংগ্ৰামৰ সময়ত যি খাদীয়ে দাসত্বৰ শিকলি ছিঙিছিল, আজিও সেই খাদীয়ে আত্মনির্ভৰশীলতাৰ নতুন ইতিহাস লিখিব পাৰে।

## জাতীয় সংকল্প

57. শ্ৰদ্ধাৰ ৰাইজ, স্বাধীনতা দিৱসৰ পবিত্ৰ দিনটোত এখন আত্মনির্ভৰশীল ভাৰত আৰু আত্মনির্ভৰশীল অসম গঢ়িবলৈ জাতীয় দায়িত্ব হিচাপে আমি সকলোৱে কেতবোৰ সংকল্প লব লাগিব।
58. প্ৰতিগৰাকী নাগৰিকে স্বদেশী সামগ্ৰী ক্ৰয় কৰাটো দেশভক্তিৰ কার্য বুলি গণ্য কৰিব লাগিব,
59. প্ৰতিগৰাকী ব্যৱসায়ীয়ে উৎপাদিত সামগ্ৰীৰ গুণগত মান আৰু স্থিৰতাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিব লাগিব,
60. প্ৰতিগৰাকী উদ্ভাৱকে সর্বপ্ৰথমে দেশৰ স্বার্থক অগ্ৰাধিকাৰ দিব লাগিব,
61. প্ৰতিজন কৃষকে বহনক্ষম, পৰিবেশ-অনুকূল কৃষি পদ্ধতিক আকোঁৱালি লব লাগিব, আৰু
62. প্ৰতিটো খণ্ডই নির্ভৰশীলতাৰ জৰিয়তে আধিপত্যলৈ যাত্ৰা কৰিব লাগিব।

63. ১৪০ কোটি ভাৰতীয়ই মনে-প্ৰাণে এই সংকল্প গ্ৰহণ কৰিলেহে আমাৰ দেশ প্ৰকৃত অৰ্থতে আত্মনিৰ্ভৰ হ'ব।

## মুখ্যমন্ত্ৰীৰ আহ্বান

আজি স্বাধীনতা দিৱসৰ পৱিত্ৰ পতাকাৰ তলত থিয় হৈ মই অসমবাসীৰ প্ৰতি কেইটামান আহ্বান জনাব খোজোঁ –

## ১) আত্মনিৰ্ভৰশীল যুৱ শক্তি

64. পশ্চিমীয়া বিশ্বৰ লগতে ভাৰতবৰ্ষৰ অনান্য অঞ্চলৰ তুলনাত অসম তথা উত্তৰ-পূৰ্বাঞ্চল অধিক যুৱ শক্তিৰে পৰিপূৰ্ণ। আমাৰ ৰাজ্যৰ যুৱপ্ৰজন্মৰ গড় বয়স ২২ বছৰ। এয়া ৰাষ্ট্ৰীয় গড় বয়স ২৭.৫ বছৰৰ তুলনাত যথেষ্ট কম। ই অসমৰ এক বৃহৎ ইতিবাচক দিশ। এই সম্ভাৱনাময় যুৱ শক্তিৰ ওপৰত অসমৰ ভৱিষ্যত বহু পৰিমাণে নিৰ্ভৰ কৰিছে। প্ৰযুক্তিগত জ্ঞানেৰে নিজকে দক্ষ কৰি আমাৰ উঠি অহা প্ৰজন্মই নিজকে বিকশিত অসমৰ যাত্ৰাত নেতৃত্ব দিয়া উচিত। চাকৰিমুখী নহৈ উদ্যমিতাক উপাৰ্জনৰ পথ হিচাপে অসমৰ ডেকা শক্তিয়ে বাছি লব লাগিব। ৰাজ্যত entrepreneurship ৰ পৰিৱেশ শক্তিশালী কৰিবলৈ আমি আত্মনিৰ্ভৰশীল অসম অভিযানৰ দৰে পদক্ষেপ গ্ৰহণ কৰিছো। উঠি অহা যুৱক-যুৱতীসকলে যাতে উদ্যমিতাৰ পথত আগুৱাই যাব পাৰে আৰু তাৰ বাবে ঋণ লোৱাৰ ক্ষেত্ৰত সহায় হয় সেই উদ্দেশ্যে অসম চৰকাৰে ঋণৰ অতিৰিক্ত নিশ্চয়তা কভাৰেজ প্ৰদানৰ পদক্ষেপ লৈছে।

## (২) প্ৰযুক্তিভিত্তিক ঔদ্যোগিক অৰ্থনীতি

65. এটা সময়ত অসমৰ খনিজ তেল আৰু কয়লাই দেশৰ অৰ্থনীতিলৈ গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছিল। কিন্তু পৰৱৰ্তী

সময়ত দেশৰ বৰ্দ্ধিত চাহিদাৰ তুলনাত তথা পশ্চিম আৰু দক্ষিণ ভাৰত আৰু সমূদ্ৰগৰ্ভৰ ন ন স্থানত তেল-কয়লাৰ আৱিস্কাৰৰ ফলত অসমৰ এই অৰিহণা অতি নগণ্য হ্‌বলৈ ধৰলে। বৰ্তমান সময়ত অসম এক সবল অৰ্থনৈতিক শক্তিত পৰিণত হ'বলৈ হ'লে সেয়েহে ইয়াৰ ভূ-ৰাজনৈতিক অৱস্থান আৰু উন্নত মানৱ সম্পদৰ উপযুক্ত উত্তৰণ আৰু ব্যৱহাৰৰ ওপৰত অত্যাধিক গুৰুত্ব প্ৰদানৰ গত্যন্তৰ নাই। ৰাজ্যৰ সম্ভাৱনাময় এই সম্পদৰ ওপৰত যোৱা চাৰে চাৰি বছৰে আমাৰ চৰকাৰে প্ৰদান কৰা গুৰুত্বৰ ফলস্বৰূপে অসমত প্ৰযুক্তিনিৰ্ভৰ ঔদ্যোগীকৰণত যুগান্তকাৰী পদক্ষেপৰ সূচনা হৈছে। Artificial Intelligence (AI), Block Chain, Big Data Analysis আদি প্ৰযুক্তিৰ জ্ঞানেৰে আলোকিত হৈ আত্মনিৰ্ভৰশীল ভাৰতত অসমৰ স্থান সুনিশ্চিত কৰিবলৈ যুৱছামে নিজকে সাজু কৰিব লাগিব।

## (৩) উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ ভূমিকা

66. অসমৰ চেমিকণ্ডাক্টৰ উদ্যোগত বিনিয়োগৰ পূৰ্বে টাটা গ্ৰুপে ৰাজ্য চৰকাৰৰ সহযোগত অসমৰ পলিটেকনিক আৰু আই টি আইসমূহত চতুৰ্থ ঔদ্যোগিক বিপ্লৱৰ বাবে প্ৰয়োজনীয় মানৱসম্পদ নিৰ্মাণৰ বাবে এক আন্তঃগাঁথনি গঢ়ি তুলিছো। টাটাৰ এই চেমিকণ্ডাক্টৰ উদ্যোগত ১০০ শতাংশ মানৱ সম্পদ যদি অসমে যোগান ধৰিব পাৰে তেন্তে এই সমগ্ৰ চেমিকণ্ডাক্টৰ উদ্যোগ আৰু ইয়াৰ লগতে জড়িত পৰিৱেশটোক অসমমুখী কৰিব পৰা যাব। ঔদ্যোগিকৰণৰ এক বিপ্লৱ অবিহনে অসমে দেশৰ প্ৰথম পাঁচখন ৰাজ্যৰ মাজত স্থান পোৱাটো সম্ভৱ নহ'ব। ইয়াৰ বাবে আমাৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহ উপযুক্ত মানৱসম্পদ সৃষ্টিৰ এক কাৰখানা

হিচাপে গঢ় দিব পাৰিলেহে ই সম্ভৱ হৈ উঠিব। সেয়েহে ৰাজ্যৰ কলেজ আৰু বিশ্ববিদ্যালয়সমূহে শিক্ষাৰ্থীসকলক চতুৰ্থ ঔদ্যোগিক বিপ্লৱৰ প্ৰযুক্তিৰ চাহিদাৰ সৈতে সংগতি ৰাখি উদ্যোগমুখী পাঠ্যক্ৰম প্ৰৱৰ্তনৰ ওপৰত বিশেষ গুৰুত্ব দিব লাগিব।

## (৪) বিদেশী ভাষা জ্ঞান

67. বিদেশী ভাষা জ্ঞানে আমাৰ যুৱশক্তিৰ বাবে কৰ্মসংস্থাপনৰ নতুন দুৱাৰ মুকলি কৰিব পাৰে। এডভাণ্টেজ আছাম – ২.০ ৰ সময়ত আমি জাপানৰ সৈতে এটা Japanese Language Testing Centre স্থাপনৰ বাবে বুজাবুজিৰ চুক্তি কৰিছোঁ। জাপানে অসমৰ পৰা ৫০ হাজাৰ যুৱক-যুৱতী বিশেষকৈ নাৰ্চক কৰ্মসংস্থাপন দিবৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। আমাৰ যুৱছামে এই সুযোগ লবলৈ মই আহ্বান জনাওঁ।

## (৫) সমবায় আন্দোলন

68. আমি ৰাজ্যত এক সমবায় আন্দোলন গঢ়িব লাগিব। ৰাজ্যৰ দুগ্ধক্ষেত্ৰই ইতিমধ্যে এই ক্ষেত্ৰত থকা সম্ভৱনা প্ৰকাশ কৰিছে। আমাৰ দেশৰ দুগ্ধ ক্ষেত্ৰত যি সমূহ ৰাজ্যই অগ্ৰণী স্থান লাভ কৰিছে সেই ৰাজ্যসমূহত দুগ্ধ সমবায় সমিতিসমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। আনুষ্ঠানিক সমবায় খণ্ডত যোগ দি নিৰ্ভৰযোগ্য উপাৰ্জনৰ বাট মোকলাব পাৰে তাৰ বাবে ৰাজ্যৰ দুগ্ধ উৎপাদক সকল সংকল্পবদ্ধ হব লাগিব। গুজৰাটৰ আমূলৰ দৰে দুগ্ধ খণ্ডত অসমৰো যাতে এটা ব্ৰেণ্ড সৃষ্টি হয় তাৰ বাবে সমবায়ৰ মাধ্যমেৰে ৰাজ্যখন আগুৱাই যাব লাগিব।

## (৬) উৎপাদনক্ষম আৰু বহনক্ষম কৃষিত মনোনিবেশ

69. কৃষি খণ্ডত উৎপাদনক্ষমতা আৰু বহনক্ষমতা বৃদ্ধিত গুৰুত্ব দিব লাগিব। অধিক বজাৰ মূল্য থকা শস্য উৎপাদন আৰু জলবায়ু-অনুকূল কৃষিকৰ্মত মনোনিবেশ কৰিব লাগিব। ক্ষুদ্ৰ কৃষক, মহিলা আৰু যুৱক-যুৱতী সকলক কেন্দ্ৰ কৰি কৃষি অৰ্থনীতিলৈ পুনৰজাগৰণ আনিব লাগিব।

## (৭) দুৰ্নীতি

70. অসমখন দুৰ্নীতিৰ কৰাল গ্ৰাসৰ পৰা আমি মুক্ত কৰিবলৈ পণ লৈছোঁ। মই ৰাজ্যৰ বিষয়া-কৰ্মচাৰীক চৰকাৰী কাম-কাজত কোনো ধৰণৰ দুৰ্নীতিক প্ৰশ্ৰয় নিদিবলৈ পুনৰ আহ্বান জনাইছোঁ। অসমবাসীকো দুৰ্নীতিৰ লগতে চৰকাৰী কাম-কাজৰ ক্ষেত্ৰত কোনো অভিযোগ থাকিলে সেয়া চৰকাৰৰ দৃষ্টিগোচৰ কৰিবলৈ আহ্বান জনালোঁ।

## (৮) কৰ্মসংস্কৃতি

71. আমাৰ চৰকাৰে ৰাজ্যত কৰ্মসংস্কৃতিৰ এক নতুন নজিৰ স্থাপন কৰিবলৈ দৃঢ় সংকল্প লৈছে। চৰকাৰী প্ৰশাসন ব্যৱস্থাটোৰ অংশ হিচাপে ৰাইজক ৰাজহুৱা সেৱা প্ৰদানৰ দিশত নজিৰবিহীনভাৱে কাম কৰি যাবলৈ মই কৰ্মচাৰী সমাজৰ প্ৰতি আহ্বান জনালোঁ।

## (৯) কৰ্মমুখী জাতি গঢ়িব লাগিব

72. আমি অসমীয়া জাতিটোক এক কৰ্মমুখী জাতি হিচাপে গঢ়িব লাগিব। আন্দোলন-ধৰ্ণাৰ সংস্কৃতিৰ পৰা যুৱছাম আঁতৰি আহিব লাগিব। আমাৰ যুৱচামে ৰাজ্যৰ সাৰুৱা মাটিত সোণগুটি গজাব লাগিব। কৃষিকৰ্মৰ যোগ্য কোনো মাটি যাতে

অব্যৱহূত হৈ নাথাকে আৰু সন্দেহযুক্ত নাগৰিকে সেয়া দখল কৰিব নোৱাৰে তাৰ বাবে ৰাজ্যৰ প্ৰতিখন গাঁও পঞ্চায়তে প্ৰয়োজনীয় পৰিকল্পনাৰে আগবাঢ়িব লাগিব। গান্ধীজীয়ে যি গ্ৰাম্য স্বৰাজৰ সপোন দেখিছিল তেতিয়াহে আমি তাক সাকাৰ ৰূপ দিব পাৰিম।

## (১০) বেদখলকাৰী প্ৰশ্ৰয় নিদিব

73. আজিৰ শুভ দিনটোত মই ৰাজ্যবাসীক জনাব বিচৰা আন এক গুৰুত্বপূৰ্ণ আহ্বান হৈছে যে কোনো কাৰণতে বেদখলকাৰীক প্ৰশ্ৰয় নিদিব। আমাৰ চৰকাৰে আৰক্ষী-প্ৰশাসনৰ জৰিয়তে বিভিন্ন স্তৰত দিনে-নিশাই কৰা কষ্টৰ ফলত আৰু প্ৰয়োজনত আদালতৰ অনুমতি লৈ প্ৰায় ১.২০ লাখ বিঘা ভূমিৰ পৰা বেদখলকাৰীক উচ্ছেদ কৰিবলৈ সক্ষম হৈছে। সন্দেহযুক্ত লোকসকলে বেদখল কৰি লোৱা ভূমিৰ পৰা তেওঁলোকক উচ্ছেদ কৰাটো আইনগত দিশৰ পৰা সঠিক হ'লেও কাৰ্যক্ষেত্ৰত ৰূপায়ন কৰাতো অতিশয় কষ্টকৰ। তথাপি অসমবাসীৰ স্বাৰ্থত বেদখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযান আমাৰ চৰকাৰে ধাৰাবাহিকভাৱে চলাই যাব। কিন্তু এইখিনি সময়ত আমাৰ থলুৱা জনসাধাৰণৰো এক গধুৰ দায়িত্ব আছে। আমি দখল কৰা ভূমিৰ পৰা উচ্ছেদিত হৈ এই লোকসকলে অসমৰ বিভিন্ন স্থানলৈ গৈ উদং হৈ পৰি থকা চৰকাৰী ভূমি বা বনভূমিত থিতাপি লোৱাৰ সুযোগ বিচাৰি আছে। গতিকে এই সন্ধিক্ষণত অসমবাসী সদাসতৰ্ক হৈ থাকিব লাগিব। বেদখলকাৰীক কোনোপধ্যে প্ৰশ্ৰয় দিব নালাগিব। বেদখলকাৰীয়ে প্ৰশ্ৰয় পাব পৰা যিকোনো মন্তব্য দিয়াৰ পৰাও বিৰত থাকিবলৈ মই অসমী মাতৃক ভালপোৱা সকলোকে আহ্বান জনাইছোঁ। বেদখলকাৰীক সহায় কৰা,

সুৰক্ষা দিয়া বা উৎসাহ প্ৰদান কৰা মানেই আইনৰ উলংঘন আৰু অসমৰ ক্ষতিসাধন কৰা। অসমৰ ভূমি আৰু সম্পত্তি আমাৰ অধিকাৰ আৰু গতিকে ইয়াৰ ৰক্ষাও আমি সকলোৱে ঐক্যবদ্ধ হৈ কৰিব লাগিব।

## সামৰণি

74. শ্ৰদ্ধেয় ৰাইজ,অজস্ৰ ভাৰতীয়ৰ ত্যাগৰ বলত আমাৰ দেশে স্বাধীনতা লাভ কৰিছিল। সেইসকল দেশপ্ৰেমিকৰ ত্যাগৰ প্ৰতি সন্মান জনাই ভাৰতবৰ্ষক বিশ্বত বুকুত স্ব-গৰিমাৰে উজ্বলাই তুলি বিকশিত ৰাষ্ট্ৰ নিৰ্মাণ কৰিবলৈ মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই স্থিৰ কৰা লক্ষ্যপ্ৰাপ্তিৰ বাবে আমি সকলোৱে অহোপুৰুষাৰ্থ কৰিব লাগিব। অসমবাসীৰ সহযোগত আমাৰ চৰকাৰে সমৰ্পিত মনোভাৱেৰে এই দিশত অবিৰাম প্ৰচেষ্টা অব্যাহত ৰাখিব।
75. সামৰণিৰ পূৰ্বে, মৃত্যুঞ্জয়ৰ স্ৰষ্টা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ ভাষাৰে মই কওঁ –

আমি বহুৱাম জনতাৰ দৰবাৰ,
আমি বহুৱাম জনতাৰ চৰকাৰ।
পুৰণি দৈন্য জুইৰে পুৰিম, নতুন সাহস ঢালি।
শত জাতি মিলি, গুঁঠিম লগেৰে, মহাজীৱনৰ ছবি।
আমি ৰচিম জনতাৰ শক্তি
অসম ভূমিত, পাতিম আজি, মহা সাম্যৰ মেলা।
নতুন অসম, সোণৰ অসম, জয় আই অসম বোলা।

পুনৰবাৰ ৰাজ্যবাসীক স্বাধীনতা দিৱসৰ অভিনন্দন জনাই মই ইমানতে ভাষণৰ সমাৰণি মাৰিছোঁ। ধন্যবাদ। জয় হিন্দ। ভাৰত মাতা কী জয়।